रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 9] NEW DELHI, MONDAY, DECEMBER 24, 2018 / 3 PAUSA, 1940 (Saka) [VOL : 11**
নং ৯] নতুন দিল্লী, সোমবাৰ, ডিচেম্বৰ ২৪, ২০১৮ / ৩ পুহ, ১৯৪০ (শক) [ খণ্ড ঃ ১১

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান
সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) অধিনিয়ম, ১৯৯২ (১৯৯২ ৰ ২৭)

২৫ জানুৱাৰী, ১৯৯৪ তাৰিখে যথাবিদ্যমান

# বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) অধিনিয়ম,১৯৯২
## (১৯৯২ৰ অধিনিয়ম সংখ্যা ২৭)

### ধাৰাসমূহৰ ক্ৰম


| ধাৰাসমূহ | পৃষ্ঠা |
|---|---|
| ১। সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ | ১ |
| ২। পৰিভাষা | ১ |
| ৩। অভিৰক্ষকৰ নিযুক্তি আৰু কৃত্যসমূহ | ১ |
| ৪। প্ৰতাৰণামূলকভাৱে কৰা সংবিদা বাতিল কৰা হ'ব | ১ |
| ৫। বিশেষ ন্যায়ালয়ৰ স্থাপন | ২ |
| ৫ক। বিশেষ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ ভিতৰত গোচৰৰ বিতৰণ | ২ |
| ৬। বিশেষ ন্যায়ালয়ৰ দ্বাৰা গোচৰসমূহৰ সংজ্ঞান | ২ |
| ৭। বিশেষ ন্যায়ালয়ৰ অধিকাৰিতা | ২ |
| ৮। যুটীয়া বিচাৰসমূহৰ বিষয়ে বিশেষ ন্যায়ালয়ৰ অধিকাৰিতা | ২ |
| ৯। বিশেষ ন্যায়ালয়ৰ প্ৰক্ৰিয়া আৰু ক্ষমতা | ২ |
| ৯ক। চিভিল বিষয়সমূহত বিশেষ ন্যায়ালয়ৰ অধিকাৰিতা, ক্ষমতা, প্ৰাধিকাৰ আৰু প্ৰক্ৰিয়া | ৩ |
| ৯খ। মধ্যস্থতা বিষয়সমূহত বিশেষ ন্যায়ালয়ৰ ক্ষমতা | ৪ |
| ১০। আপীল | ৪ |
| ১১। দায়িত্বৰ নিৰ্ব্বহন | ৪ |
| ১১ক। অৱমাননা কৰাৰ বাবে শাস্তি দিয়াৰ ক্ষমতা | ৪ |
| ১২। সদ্ বিশ্বাসত কৰা কাৰ্য্যৰ সুৰক্ষা | ৪ |
| ১৩। অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব | ৪ |
| ১৪। নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা | ৪ |
| ১৫। নিৰসন আৰু ব্যাবৃত্তি | ৫ |

# বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) অধিনিয়ম, ১৯৯২

## (১৯৯২ৰ অধিনিয়ম সংখ্যা ২৭)

[ ১৮ আগষ্ট, ১৯৯২ ]

প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰৰ বাবে আৰু ইয়াৰ লৈতে সম্পৰ্কিত বা ইয়াৰ আনুষঙ্গিক বিষয়সমূহৰ বাবে এখন বিশেষ ন্যায়ালয় স্থাপনৰ বাবে উপৰন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ইয়াক, ভাৰত গণৰাজ্যৰ তিয়াল্লিচতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে অধিনিয়মিত কৰা হওঁক :-

**সংক্ষিপ্ত নাম, আৰু প্ৰাৰম্ভণ।** ১। (১) এই অধিনিয়মখন, বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান- প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) অধিনিয়ম, ১৯৯২ বুলি অভিহিত হ'ব ।

(২) ইয়াক ১৯৯২ চনৰ ৬ জুন তাৰিখত বলবৎ হোৱা বুলি গণ্য কৰা হ'ব।

**পৰিভাষা।** ২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে, -

(ক) "সংহিতা" মানে দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ;

(খ) "অভিৰক্ষক" মানে ধাৰা ৩ৰ উপ-ধাৰা (১)ৰ অধীনত নিযুক্ত অভিৰক্ষক ;

(গ) "প্ৰতিভূতি"য়ে নিম্নলিখিতসমূহক অন্তৰ্ভুক্ত কৰে-

(i) ভাৰতীয় ন্যাস গোট বা আন কোনো পাৰস্পৰিক নিধি বা কোনো নিগমিত কোম্পানী বা আন নিগমিত নিকায়ত থকা বা নিকায়ৰ দৰে একে প্ৰকৃতিৰ আন বিক্ৰয়যোগ্য প্ৰতিভূতিৰ অংশ, অস্থায়ী ধন পত্ৰ, ষ্টক, খত পত্ৰ, ঋণ পত্ৰ, ঋণ পত্ৰ ষ্টক, গোট ;

(ii) চৰকাৰী প্ৰতিভূতিসমূহ ; আৰু

(iii) প্ৰতিভূতিসমূহত থকা অধিকাৰ আৰু হিত ;

(ঘ) "বিশেষ ন্যায়ালয়" মানে ধাৰা ৫ৰ উপ-ধাৰা (১)ৰ অধীনত স্থাপিত বিশেষ ন্যায়ালয় ।

**অভিৰক্ষকৰ নিযুক্তি আৰু কৃত্যসমূহ।** ৩। (১) কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে উচিত বুলি গণ্য কৰা দৰে এজন বা ততোধিক অভিৰক্ষকক নিযুক্ত কৰিব পাৰে।

(২) অভিৰক্ষকে, সংবাদ প্ৰাপ্তিত, ১ এপ্ৰিল, ১৯৯১ৰ পিচত আৰু ১৯৯২ৰ ৬ জুন তাৰিখত বা তাৰ পূৰ্ব্বে প্ৰতিভূতিৰ আদান-প্ৰদানৰ সম্বন্ধত কোনো অপৰাধত কোনো ব্যক্তি জড়িত আছে, তেন্তে তেওঁ চৰকাৰী ৰাজপত্ৰত এনে ব্যক্তিৰ নাম অধিসূচিত কৰিব পাৰে।

(৩) সংবিদা আৰু সম্প্ৰতি বলবৎ আন কোনো বিধিত কোনো কথা থকা সত্বেও উপ-ধাৰা (২)ৰ অধীনত অধিসূচনাৰ তাৰিখত বা তাৰিখৰ পৰা সেই উপ-ধাৰাৰ অধীনত অধিসূচিত কোনো ব্যক্তিৰ কোনো সম্পত্তি অস্থাৱৰ বা স্থাৱৰ বা উভয়ে অধিসূচনা জাৰি কৰা একে সময়তে সংলগ্ন থকা বাহাল থাকিব।

(৪) উপ-ধাৰা (৩)ৰ অধীনত সংলগ্ন সম্পত্তি এনে ৰীতিত অভিৰক্ষকৰ দ্বাৰা সংব্যৱহৃত হ'ব যিদৰে বিশেষ ন্যায়ালয়ে নিৰ্দ্দেশ দিয়ে ।

(৫) অভিৰক্ষকে এই ধাৰা আৰু ধাৰা ৪ৰ অধীনত তেওঁৰ ক্ষমতা প্ৰয়োগ কৰাত বা তেওঁৰ কৰ্ত্তব্যসমূহ নিৰ্ব্বহন কৰোতে কোনো ব্যক্তিৰ সহায়তা গ্ৰহণ কৰিব পাৰে ।

**প্ৰতাৰণামূলক ভাৱে কৰা সংবিদা বাতিল কৰা হ'ব।** ৪। (১) যদি অভিৰক্ষকে তেওঁ উচিত ভৱা দৰে এনে তদন্তৰ পিচত, ধাৰা ৩ৰ উপ-ধাৰা (২)ৰ অধীনত অধিসূচিত ব্যক্তিৰ কোনো সম্পত্তিৰ সম্বন্ধত ১এপ্ৰিল, ১৯৯১ৰ পিচত যি কোনো সময়ত আৰু ১৯৯১ৰ ১ এপ্ৰিল আৰু ১৯৯২ৰ ৬ জুন তাৰিখত আৰু ইয়াৰ পূৰ্ব্বে কোনো সময়তে প্ৰবিষ্ট কোনো সংবিদা বা চুক্তি প্ৰতাৰণামূলকভাৱে কৰা হৈছে বা এই অধিনিয়মৰ উপৰন্ধসমূহ পৰাভূত কৰা হৈছে বুলি সন্তুষ্ট হয় তেতিয়া তেওঁ এনে সংবিদা বা চুক্তি বাতিল কৰিব পাৰে আৰু এনে বাতিলকৰণত এনে সম্পত্তি এই অধিনিয়মৰ অধীনত সংলগ্ন বুলি বাহাল থাকিব :

পৰন্তু কোনো সংবিদা বা চুক্তি পক্ষগনক শুনানীৰ এটা যুক্তিযুক্ত সুযোগ নিদিয়াকৈ বাতিল কৰা নহব।

## বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ)অধিনিয়ম, ১৯৯২

(২) ধাৰা ৩ৰ উপ-ধাৰা (২)ৰ অধীনত জাৰি কৰা কোনো অধিসূচনাৰ দ্বাৰা বা ধাৰা ৪ৰ উপ-ধাৰা (১)ৰ অধীনত কৰা কোনো বাতিলকৰণ বা ধাৰা ৩ বা ৪ৰ অধীনত তেওঁৰ ওপৰত অৰ্পিত ক্ষমতাসমূহৰ প্ৰয়োগত অভিৰক্ষকৰ দ্বাৰা কৰা আন কোনো আদেশৰ দ্বাৰা ব্যথিত কোনো ব্যক্তিয়ে, বিশেষ ন্যায়ালয়ত ৰাষ্ট্ৰপতিৰ দ্বাৰা বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহৰ আদান-প্ৰদানৰ লগত সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) বিধেয়ক, ১৯৯২ৰ সন্মতিৰ ত্ৰিশ দিনৰ ভিতৰত একেবোৰক আপত্তি দৰ্শাই আবেদন দাখিল কৰিব পাৰে, য'ত এনে অধিসূচনা বাতিলকৰণ বা আদেশ ৰাষ্ট্ৰপতিৰ দ্বাৰা বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) বিধেয়ক, ১৯৯২ৰ সন্মতিৰ তাৰিখৰ পূৰ্ব্বে জাৰি কৰা হৈছে আৰু য'ত এনে অধিসূচনা, বাতিলকৰণ বা আদেশ, এনে অধিসূচনা, বাতিলকৰণ বা যথাস্থিতি আদেশ জাৰিকৰণৰ ত্ৰিশ দিনৰ ভিতৰত সেই তাৰিখত বা পিচত জাৰি কৰা হয়, আৰু বিশেষ ন্যায়ালয়ে পক্ষগণৰ শুনানীৰ পিচত, ই উচিত গণ্য কৰা দৰে এনে আদেশ কৰিব পাৰে।

বিশেষ ন্যায়ালয়ৰ স্থাপন।

৫। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, বিশেষ ন্যায়ালয় বুলি অভিহিত এখন ন্যায়ালয় স্থাপন কৰিব।

(২) বিশেষ ন্যায়ালয়, ভাৰতৰ মুখ্য ন্যায়াধীশৰ সন্মতি সহ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ দ্বাৰা মনোনীত উচ্চ ন্যায়ালয়ৰ [১][এক বা ততোধিক পদাধিষ্ঠ ন্যায়াধীশে] ৰে গঠিত হ'ব যাৰ অধিকাৰতাৰ স্থানীয় সীমাৰ ভিতৰত বিশেষ ন্যায়ালয় অৱস্থিত।

[২][(৩) য'ত [৩][ বিশেষ ন্যায়ালয়ৰ এজন ন্যায়াধীশ] ৰ পদ, অনুপস্থিতি বা ছুটীৰ কাৰণত ৰিক্ত হয়, কাৰ্য্যালয়ৰ কৰ্ত্তব্যসমূহ উচ্চ ন্যায়ালয়ৰ এনে ন্যায়াধীশৰ দ্বাৰা যাৰ অধিকাৰিতাৰ স্থানীয় সীমাৰ ভিতৰত বিশেষ ন্যায়ালয় অৱস্থিত হয় যিদৰে সেই উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে, ভাৰতৰ মুখ্য ন্যায়াধীশৰ সন্মতি সহ এই প্ৰয়োজনৰ বাবে মনোনীত কৰিব পাৰে আৰু এনেদৰে নিযুক্ত ন্যায়াধীশৰ , চূড়ান্ত আদেশ পাৰিত কৰাৰ ক্ষমতাক অৰ্ন্তভুক্ত কৰি [৩][ বিশেষ ন্যায়ালয়ৰ এজন ন্যায়াধীশ] ৰ সকলো অধিকাৰিতা আৰু ক্ষমতা থাকিব।

বিশেষ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ ভিতৰত গোচৰৰ বিতৰণ।

[৪][৫ক। য'ত বিশেষ ন্যায়ালয়, দুই বা ততোধিক ন্যায়াধীশেৰে গঠিত হয়, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে, যাৰ অধিকাৰিতাৰ স্থানীয় সীমাৰ ভিতৰত বিশেষ ন্যায়ালয় স্থাপিত হয়, সময়ে সময়ে, সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা, ন্যায়াধীশসকলৰ মাজত গোচৰৰ বিতৰণৰ বিষয়ে উপৱন্ধাৱলী প্ৰণয়ন কৰিব পাৰে আৰু এনে প্ৰত্যেক ন্যায়াধীশৰ দ্বাৰা সংপ্ৰৱৰ্ত্তিত কৰিব পৰা বিষয়সমূহ বিনিৰ্দ্দিষ্ট কৰিব পাৰে। ]

বিশেষ ন্যায়ালয়ৰ দ্বাৰা গোচৰসমূহৰ সংজ্ঞান।

৬। বিশেষ ন্যায়ালয়ে, ইয়াৰ সমক্ষত ৰুজু কৰা দৰে বা ইয়াত ইয়াৰ পিচত উপৱন্ধিত দৰে ইয়ালৈ অন্তৰিত এনে গোচৰসমূহৰ সংজ্ঞান লব বা বিচাৰ কৰিব।

বিশেষ ন্যায়ালয়ৰ অধিকাৰিতা।

৭। আন কোনো বিধিত কোনো কথা থকা সত্বেও, ধাৰা ৩ৰ উপ-ধাৰা (২)ত নিৰ্দ্দেশিত কোনো আন বিধিৰ সম্বন্ধত কোনো অভিযোজন বা কোনো অপৰাধৰ সম্বন্ধত কোনো অভিযোজন কেৱল বিশেষ ন্যায়ালয়ত ৰুজু কৰা হ'ব আৰু কোনো ন্যায়ালয়ত লম্বিত এনে অপৰাধৰ সম্বন্ধত কোনো অভিযোজন বিশেষ ন্যায়ালয়লৈ অন্তৰিত হ'ব।

যুটীয়া বিচাৰসমূহৰ বিষয়ে বিশেষ ন্যায়ালয়ৰ অধিকাৰিতা।

৮। বিশেষ ন্যায়ালয়ৰ কোনো বৰমূৰীয়া, ষড়যন্ত্ৰকাৰী বা অপপ্ৰেৰক ৰূপে ধাৰা ৩ৰ উপ-ধাৰা (২)ত নিৰ্দ্দেশিত অপৰাধত সংশ্লিষ্ট কোনো ব্যক্তি আৰু আন অপৰাধসমূহ বা সংহিতাৰ অনুসৰণত এটা বিচাৰতেই ইয়াৰ সৈতে যুটীয়া ভাৱে বিচাৰ কৰিব পৰা অভিযুক্ত ব্যক্তিক বিচাৰ কৰিবলৈ অধিকাৰিতা থাকিব।

বিশেষ ন্যায়ালয়ৰ প্ৰক্ৰিয়া আৰু ক্ষমতা।

৯। (১) বিশেষ ন্যায়ালয়ে, এনে গোচৰসমূহৰ বিচাৰত এজন দণ্ডাধীশৰ সমক্ষত পৰোৱানা গোচৰসমূহৰ বিচাৰৰ বাবে সংহিতাৰ দ্বাৰা বিহিত প্ৰক্ৰিয়া অনুসৰণ কৰিব।

(২) এই অধিনিয়মত অভিব্যক্তৰূপে উপৱন্ধিত ব্যতিৰেকে সংহিতাৰ উপৱন্ধাৱলী, যিমানদূৰ সেইবোৰ এই অধিনিয়মৰ উপৱন্ধাৱলীৰ সৈতে অসঙ্গত নহয়, বিশেষ ন্যায়ালয়ৰ সমক্ষত কাৰ্য্যবাহীসমূহলৈ প্ৰযোজ্য হ'ব আৰু সংহিতাৰ উক্ত উপৱন্ধাৱলীৰ প্ৰয়োজনাৰ্থে বিশেষ ন্যায়ালয়খনক এখন চেছন ন্যায়ালয় বুলি গণ্য কৰা হ'ব আৰু চেছন ন্যায়ালয়ৰ সকলো ক্ষমতা থাকিব আৰু বিশেষ ন্যায়ালয়ত কোনো অভিযোজন পৰিচালনা কৰা ব্যক্তিক লোক অভিযোজক বুলি গণ্য কৰা হ'ব।

---

১। বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ (সংশোধন) অধিনিয়ম, (১৯৯৭ৰ ৬)ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ (সংশোধন) অধিনিয়ম, (১৯৯৪ৰ ২৪)ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। একে অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা ''বিশেষ ন্যায়ালয়ৰ ন্যায়াধীশ'' ৰ স্থানত প্ৰতিষ্ঠাপিত।

৪। বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহ আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ (সংশোধন) অধিনিয়ম, (১৯৯৭ৰ ৬)ৰ ধাৰা ৮৩ৰ দ্বাৰা অন্তঃস্থাপিত।

বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) অধিনিয়ম, ১৯৯২

(৩) বিশেষ ন্যায়ালয়ে ইয়াৰ দ্বাৰা দোষীসাব্যস্ত হোৱা কোনো ব্যক্তিৰ ওপৰত কোনো অপৰাধ শাস্তিৰ বাবে বিধিৰ দ্বাৰা প্ৰাধিকৃত কোনো দণ্ডাদেশ পাৰিত কৰিব পাৰে যিটোৰ বাবে এনে ব্যক্তি দোষীসাব্যস্ত হয় ।

(৪) যেতিয়া ইয়াৰ সমক্ষত অন্য কোনো আন বিষয়ৰ ওপৰত ব্যৱস্থা লৈ থকা হয়, বিশেষ ন্যায়ালয়ে নৈসৰ্গিক ন্যায়ৰ নীতিসমূহৰ সৈতে সংগত বুলি গণ্য কৰা দৰে এনে প্ৰক্ৰিয়া অঙ্গীকৃত কৰিব পাৰিব ।

চিভিল বিষয় সমূহত বিশেষ ন্যায়ালয়ৰ অধিকাৰিতা, ক্ষমতা, প্ৰাধিকাৰ আৰু প্ৰক্ৰিয়া।

[১][৯ক।(১) বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) সংশোধন অধিনিয়ম, ১৯৯৪ৰ প্ৰাৰম্ভণিত বা প্ৰাৰম্ভণিৰ পৰা, বিশেষ ন্যায়ালয়ে, কোনো বিষয়ৰ সম্পৰ্কত কোনো চিভিল ন্যায়ালয়ৰ দ্বাৰা, এনে প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে, প্ৰয়োগযোগ্য হোৱা এনে সকলো অধিকাৰিতা, ক্ষমতা আৰু প্ৰাধিকাৰ কাৰ্য্যকৰী কৰিব বা নিম্নলিখিতসমূহক দাবী কৰিব-

(ক) ধাৰা ৩ৰ উপ-ধাৰা (৩)ৰ অধীনত ক্ৰোক কৰা কোনো সম্পত্তিৰ সম্পৰ্কত ;

(খ) ১৯৯১ৰ ১ এপ্ৰিলৰ পিছত আৰু ১৯৯২ৰ ৬ জুন তাৰিখত বা তাৰ পূৰ্বে, য'ত প্ৰবিষ্ট হোৱা প্ৰতিভূতিৰ আদান-প্ৰদানৰ পৰা উদ্ভৱ হোৱা ধাৰা ৩ৰ উপ-ধাৰা (২)ৰ অধীনত অধিসূচিত এজন ব্যক্তি, এটা পক্ষ, দালাল, মধ্যস্থ বা কোনো আন বিষয়ত জড়িত থাকে ।

(২) বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) সংশোধন অধিনিয়ম, ১৯৯৪ৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে কোনো ন্যায়ালয়ত লম্বিত (এটা আপীলৰ ব্যতিৰেকে) প্ৰত্যেক বাদ, দাবী বা আন বিধিক কাৰ্য্যবাহী, এটা বাদ, দাবী বা কাৰ্য্যবাহী হোৱাত, বাদ হেতুকে, যাৰ ওপৰত ই এনেদৰে আধাৰিত হয় যে যদিহে ই, উপ-ধাৰা (১)ৰ অধীনত বিশেষ ন্যায়ালয়ৰ অধিকাৰিতাৰ ভিতৰত থাকিলহেতেঁন যদিহে এনে প্ৰাৰম্ভণৰ পিছত উদ্ভৱ হ'লহেতেঁন, এনে প্ৰাৰম্ভণত বিশেষ ন্যায়ালয়লৈ অন্তৰিত হ'ব আৰু বিশেষ ন্যায়ালয়ে এনে বাদ, দাবী বা আন বিধিক কাৰ্য্যবাহীৰ অভিলেখৰ প্ৰাপ্তিত, এনে স্তৰৰ পৰা এটা বাদ, দাবী বা বিধিক কাৰ্য্যবাহীৰূপে যতদূৰ এটা সদৃশ ৰীতিত ইয়াৰ সৈতে সংব্যৱহৃত হবলৈ অগ্ৰসৰ হ'ব, যিটো স্তৰ এনে অন্তৰণৰ পূৰ্বে বা কোনো পূৰ্ব্বতম স্তৰৰ পৰা বা নতুনকৈ উঠে ।

(৩) বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান- প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) সংশোধন অধিনিয়ম, ১৯৯৪ৰ প্ৰাৰম্ভণত বা প্ৰাৰম্ভণৰ পৰা বিশেষ ন্যায়ালয়ৰ ব্যতিৰেকে কোনো ন্যায়ালয়ৰ, উপ-ধাৰা (১)ত নিৰ্দ্দেশিত কোনো বিষয় বা দাবীৰ সম্পৰ্কত কোনো অধিকাৰিতা, ক্ষমতা নাথাকিব বা কাৰ্য্যকৰী কৰিবলৈ হ'কদাৰ নহব ।

(৪) এই ধাৰাৰ অধীনত কোনো বিষয় বা দাবীৰ সম্পৰ্কিত বিষয়ৰ সংব্যৱহাৰ কৰাত, বিশেষ ন্যায়ালয়, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ দ্বাৰা প্ৰণীত প্ৰক্ৰিয়াৰ দ্বাৰা আবদ্ধ নহব, কিন্তু নৈসৰ্গিক ন্যায়ৰ প্ৰক্ৰিয়াৰ দ্বাৰা পৰিচালিত হ'ব, আৰু এই অধিনিয়মৰ আন উপৱন্ধাৱলী আৰু কোনো নিয়মাৱলীৰ সাপেক্ষে, বিশেষ ন্যায়ালয়ৰ, ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিয়মিত কৰিবলৈ ক্ষমতা থাকিব ।

(৫) এই অধিনিয়মৰ অধীনত প্ৰদত্ত আন ক্ষমতাৰ প্ৰতিকূল নোহোৱাকৈ, বিশেষ ন্যায়ালয়ৰ, এই ধাৰাৰ অধীনত ইয়াৰ কৃত্যৰ নিৰ্বহনৰ প্ৰয়োজনাৰ্থে, নিম্নলিখিত বিষয়সমূহৰ সম্বন্ধত এটা বাদৰ বিচাৰ কৰোতে, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ অধীনত এখন চিভিল ন্যায়ালয়ত ন্যস্ত কৰা দৰে একে ক্ষমতা থাকিব, অৰ্থাৎ ঃ-

(ক) কোনো ব্যক্তিক চমন জাৰি কৰা আৰু উপস্থিতি বলবৎ কৰা আৰু শপতৰ ওপৰত তেওঁক পৰীক্ষা কৰা ;

(খ) দস্তাৱেজৰ উদ্ঘাটন আৰু দাখিলকৰণৰ অপেক্ষা কৰা ;

(গ) শপথপত্ৰৰ ওপৰত সাক্ষ্য গ্ৰহণ কৰা ;

(ঘ) ভাৰতীয়া সাক্ষ্য অধিনিয়ম, ১৮৭২ৰ ধাৰা ১২৩ আৰু ১২৪ৰ উপৱন্ধাৱলীৰ সাপেক্ষে কোনো কাৰ্য্যালয়ৰ পৰা কোনো ৰাজহুৱা অভিলেখ বা দস্তাৱেজ বা এনে অভিলেখ বা দস্তাৱেজৰ প্ৰতিলিপিৰ অভিগ্ৰহণ কৰা ;

(ঙ) সাক্ষী আৰু দস্তাৱেজসমূহৰ পৰীক্ষাৰ বাবে কমিচন জাৰি কৰা ;

(চ) ইয়াৰ বিনিশ্চয়ৰ পুনৰীক্ষণ কৰা ;

(ছ) ত্ৰুটীৰ বাবে এটা গোচৰৰ খাৰিজকৰণ বা ইয়াক একপক্ষীয়ভাৱে বিনিশ্চয় কৰা;

(জ) ত্ৰুটীৰ বাবে কোনো গোচৰৰ খাৰিজকৰণৰ কোনো আদেশ বা একপক্ষীয়ভাৱে ইয়াৰ দ্বাৰা পাৰিত কোনো আদেশ ৰদ্ কৰা ; আৰু

(ঝ) ধাৰা ১৪ৰ উপ-ধাৰা (১)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰিব পৰা কোনো আন বিষয়;

১। বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) সংশোধন অধিনিয়ম, (১৯৯৪ৰ ২৪)ৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত ।

## বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) অধিনিয়ম,১৯৯২

মধ্যস্থতা বিষয়সমূহত বিশেষ ন্যায়ালয়ৰ ক্ষমতা।

৯ খ। (১) বিশেষ ন্যায়ালয়ৰ, ধাৰা ৯কৰ উপ-ধাৰা (১)ত উল্লিখিত কোনো বিষয় বা দাবী সম্পৰ্কিত এটা প্ৰসঙ্গ নিৰ্দ্দেশৰ এটা বিষয়বস্তুৰ গঠন কৰা কোনো প্ৰশ্নৰ বিনিশ্চয় কৰিবলৈ, মধ্যস্থতা অধিনিয়ম,১৯৪০ৰ অধীনত প্ৰদত্ত, এখন ন্যায়ালয়ৰ অধিকাৰিতা আৰু ক্ষমতা থাকিব।

(২) বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান- প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) সংশোধন অধিনিয়ম, ১৯৯৪ৰ প্ৰাৰম্ভণৰ তাৰিখৰ অব্যৱহিত পূৰ্ব্বে ন্যায়ালয়ত লম্বিত থকা আৰু মধ্যস্থতা অধিনিয়ম, ১৯৪০ৰ দ্বাৰা পৰিচালিত ধাৰা ৯ক ৰ উপ-ধাৰা (১)ত নিৰ্দ্দেশিত কোনো বিষয় বা দাবীৰ সম্পৰ্কত (এটা আপীলৰ ব্যতিৰেকে) প্ৰত্যেক বাদ বা আন কাৰ্য্যবাহী, সেই তাৰিখত বিশেষ ন্যায়ালয়ত অন্তৰিত হ'ব।]

**স্পষ্টীকৰণ**- এই ধাৰাৰ প্ৰয়োজনাৰ্থে ''ন্যায়ালয়'' আৰু ''প্ৰসঙ্গ নিৰ্দ্দেশ'' অভিব্যক্তিৰ, মধ্যস্থতা অধিনিয়ম, ১৯৪০ৰ ধাৰা ২ৰ খণ্ড (গ) আৰু (ঙ)ৰ অধীনত পৰিভাষিত দৰে যথাক্ৰমে একে অৰ্থ হ'ব।

আপীল।

১০। (১) সংহিতাত [১] [বা চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ বা মধ্যস্থতা অধিনিয়ম, ১৯৪০] ত কোনো কথা থকা সত্ত্বেও, বিশেষ ন্যায়ালয়ৰ অৰ্ন্তবৰ্ত্তী আদেশ নোহোৱা কোনো নিৰ্ণয় [১] [ ডিক্ৰী], দণ্ডাদেশ বা আদেশ উচ্চতম ন্যায়ালয়ত কোনো তথ্য বা বিধি উভয়ৰ ওপৰত কোনো আপীল নচলিব।

(২) পূৰ্ব্বোক্ত ব্যতিৰেকে, বিশেষ ন্যায়ালয়ৰ কোনো নিৰ্ণয় [১] [ ডিক্ৰী], দণ্ডাদেশ বা আদেশৰ কোনো আপীল বা পুনৰীক্ষণ কোনো ন্যায়ালয়ত নচলিব।

(৩) এই ধাৰাৰ অধীনত প্ৰত্যেক আপীল, বিশেষ ন্যায়ালয়ৰ কোনো নিৰ্ণয়, দণ্ডাদেশ বা আদেশৰ তাৰিখৰ পৰা ত্ৰিশদিন কালৰ ভিতৰত গ্ৰহণ কৰা হ'ব ঃ

পৰন্তু উচ্চতম ন্যায়ালয়ে, ত্ৰিশ দিনৰ উক্ত কালৰ অৱসানৰ পিচতো কোনো আপীল গ্ৰহণ কৰিব পাৰে যদি ই সন্তুষ্ট হয় যে আবেদকৰ, ত্ৰিশ দিন কালৰ ভিতৰত আপীল নকৰাৰ বাবে পৰ্য্যাপ্ত কাৰণ আছিল।

দায়িত্বৰ নিৰ্ব্বহন।

১১। (১) সংহিতা আৰু সম্প্ৰতি বলবৎ আন কোনো বিধিত কোনো কথা থকা সত্ত্বেও, বিশেষ ন্যায়ালয়ে উচিত গণ্য কৰা দৰে ক্ৰোকৰ অধীনত সম্পত্তিৰ নিষ্পত্তিৰ বাবে অভিৰক্ষকক নিৰ্দ্দেশ দি এনে আদেশ দিব পাৰে।

(২) নিম্নলিখিত দায়িত্বসমূহ, তলত দিয়া আদেশত, যিমানদূৰ পাৰি সম্পূৰ্ণভাৱে আদায় দিয়া বা নিৰ্ব্বহন কৰা হ'ব-

(ক) কেন্দ্ৰীয় চৰকাৰ বা কোনো ৰাজ্য চৰকাৰ বা কোনো স্থানীয় প্ৰাধিকাৰীলৈ ধাৰা ৩ৰ উপ-ধাৰা (২)ৰ অধীনত অভিৰক্ষকৰ দ্বাৰা অধিসূচিত ব্যক্তিসমূহৰ পৰা শোধ্য সকলো ৰাজহ, কৰ, উপকৰ আৰু হাৰ ;

(খ) কোনো বেঙ্ক বা বিত্তীয় প্ৰতিষ্ঠান বা পাৰস্পৰিক নিধিলৈ অভিৰক্ষকৰ দ্বাৰা এনেদৰে অধিসূচিত ব্যক্তিৰ পৰা শোধ্য সকলো ধনৰাশি ;

(গ) সময়ে সময়ে বিশেষ ন্যায়ালয়ে বিনিৰ্দ্দিষ্ট কৰা দৰে আন কোনো দায়িত্ব।

অৱমাননা কৰাৰ বাবে শাস্তি দিয়াৰ ক্ষমতা।

[২] [১১ক। বিশেষ ন্যায়ালয়ৰ, এখন উচ্চ ন্যায়ালয়ৰ থকাৰ দৰে ইয়াৰ অৱমাননাৰ সম্বন্ধত একেই অধিকাৰিতা, ক্ষমতা আৰু প্ৰাধিকাৰ থাকিব আৰু কাৰ্য্যকৰী কৰিব আৰু কাৰ্য্যকৰী কৰিব পাৰে আৰু ইয়াৰ প্ৰয়োজনৰ বাবে ন্যায়ালয়ৰ অৱমাননা অধিনিয়ম, ১৯৭১ৰ উপৰন্ধাৱলী, নিম্নলিখিতসমূহৰ পৰিৱৰ্ত্তনৰ সাপেক্ষে প্ৰভাৱী হ'ব

(ক) এখন উচ্চ ন্যায়ালয়লৈ, তাত থকা প্ৰসঙ্গ নিৰ্দ্দেশে, এনে বিশেষ ন্যায়ালয়ৰ এটা প্ৰসঙ্গ নিৰ্দ্দেশক অৰ্ন্তভুক্ত কৰা দৰে অৰ্থ কৰিব ; —

(খ) উক্ত অধিনিয়মৰ ধাৰা ১৫ত মহাধিবক্তাৰ প্ৰসঙ্গ নিৰ্দ্দেশক, বিশেষ ন্যায়ালয়ৰ সম্পৰ্কত, মহান্যায়বাদী বা মহান্যায়াধিকৰ্ত্তা বা অতিৰিক্ত মহান্যায়াধিকৰ্ত্তাৰ এটা প্ৰসঙ্গ নিৰ্দ্দেশ ৰূপে অৰ্থ হ'ব।]

সদ্ বিশ্বাসত কৰা কাৰ্য্যৰ সুৰক্ষা।

১২। (১) এই অধিনিয়মৰ অধীনত সদ্ বিশ্বাসত কৰা বা কৰা বুলি অভিপ্ৰেত কোনো কাৰ্য্যৰ বাবে কেন্দ্ৰীয় চৰকাৰ বা অভিৰক্ষকৰ বিৰুদ্ধে কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী নচলিব।

(২) এই অধিনিয়মৰ অধীনত সদ্ বিশ্বাসত কৰা বা কৰা বুলি অভিপ্ৰেত যি কোনো কাৰ্য্যৰ দ্বাৰা কাৰিত হোৱা বা কাৰিত হোৱাৰ সম্ভাৱনা থকা কোনো ক্ষতিৰ বাবে কেন্দ্ৰীয় চৰকাৰ বা ইয়াৰ কোনো পদাধিকাৰী বা আন কৰ্ম্মচাৰীৰ বিৰুদ্ধে কোনো বাদ বা আন বিধিক কাৰ্য্যবাহী নচলিব।

অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব।

১৩। এই অধিনিয়মৰ উপবন্ধাৱলী, সম্প্ৰতি বলবৎ আন কোনো বিধিত বা এই অধিনিয়মৰ ব্যতিৰেকে কোনো বিধিৰ ফলত প্ৰভাৱী হোৱা কোনো লেখ্যত, বা কোনো ন্যায়ালয়, ন্যায়াধিকৰণ বা আন প্ৰাধিকাৰী কোনো ডিক্ৰী বা আদেশত ইয়াৰ সৈতে অসঙ্গত কোনো কথা থকা সত্ত্বেও, প্ৰভাৱী হ'ব।

---

১। বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) সংশোধন অধিনিয়ম, (১৯৯৪ৰ ২৪)ৰ ধাৰা ৪ৰ দ্বাৰা অন্তঃস্থাপিত।

২। বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) সংশোধন অধিনিয়ম, (১৯৯৪ৰ ২৪)ৰ ধাৰা ৫ৰ দ্বাৰা অন্তঃস্থাপিত।

## বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) অধিনিয়ম,১৯৯২

নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা। ১৪। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপৱন্ধাৱলী কাৰ্য্যান্বিত কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

১৯৯২ৰ ১০নং অধ্যাদেশ। (২) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে অধিৱেশন চলি থকা সময়ত এখন অধিৱেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনত উথাপন কৰা হ'ব, আৰু যদিহে উপৰোক্ত অধিৱেশনৰ অব্যৱহিত পৰৱৰ্ত্তী অধিৱেশন বা ক্ৰমাগত অধিৱেশনসমূহৰ অৱসানৰ পূৰ্ব্বে উভয় সদনে নিয়মত কোনো সালসলনি কৰিবলৈ সম্মত হয় বা উভয় সদনে সম্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিছত নিয়মটো কেৱল এনে সালসলনি ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি প্ৰভাৱী নহ'ব ; সেয়ে হ'লেও এনে সালসলনি বা ৰদ্‌কৰণ সেই নিয়মৰ অধীনত পূৰ্ব্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব।

নিৰসন আৰু ব্যাবৃত্তি। ১৫। (১) বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) অধ্যাদেশ, ১৯৯২ ইয়াৰ দ্বাৰা নিৰসিত।

(২) এনে নিৰসন সত্ত্বেও, উক্ত অধ্যাদেশৰ অধীনত কৰা কোনো কাৰ্য্য বা লোৱা কোনো কাৰ্য্যব্যৱস্থাক, এই অধিনিয়মৰ তদনুৰূপ উপৱন্ধসমূহৰ অধীনত কৰা বা লোৱা বুলি গণ্য হ'ব।

ৰাষ্ট্ৰপতিয়ে বিশেষ ন্যায়ালয় (প্ৰতিভূতিসমূহত আদান-প্ৰদান সম্বন্ধিত অপৰাধসমূহৰ বিচাৰ) অধিনিয়ম, ১৯৯২ (১৯৯২ৰ অধিনিয়ম সংখ্যা ২৭)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৯২ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৯২ৰ অধিনিয়ম সংখ্যা ২৭) ।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Special Court (Trial of Offences Relating to Transactions in Securities) Act, 1992 (Act No. 27 of 1992) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1992 (Act No. 27 of 1992).

G. NARAYANA RAJU,
Secretary to the Govt. of India.

New Delhi
Date :

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ২৪-১২-১৮